# অনলাইন শিক্ষণ ঃ প্ৰত্যাশা আৰু প্ৰত্যাহ্বান

ড° দুলুমণি গোস্বামী

ভাৰতবৰ্ষত বৰ্তমান অনলাইন শিক্ষণৰ গুৰুত্ব যথেষ্ট বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ শেহতীয়াকৈ সমগ্ৰ বিশ্বতে ত্ৰাসৰ সৃষ্টি কৰা ক'ভিড-১৯ নাইবা কৰ'না মহামাৰীৰপৰা ৰক্ষা পোৱাৰ বাবে যি সৰ্বাত্মক লকডাউন ঘোষণা কৰা হ'ল তাৰ ফলত দেশৰ শিক্ষাব্যৱস্থা যথেষ্ট ক্ষতিগ্ৰস্ত হ'বলগীয়া হ'ল। ক'ভিড-১৯ আক্ৰান্তৰ সংখ্যা ভাৰতবৰ্ষতো ভয়ানকভাৱে বৃদ্ধি হোৱাৰ ফলত কেন্দ্ৰীয় চৰকাৰে যোৱা ২৪ মাৰ্চৰপৰা সমগ্ৰ ভাৰতবৰ্ষতে সম্পূৰ্ণ লকডাউন কাৰ্যসূচী ঘোষণা কৰিছিল। ইয়াৰ ফলত বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়কে ধৰি সকলো প্ৰকাৰৰ শিক্ষা-প্ৰতিষ্ঠান সম্পূৰ্ণৰূপে বন্ধ হৈ যায়। ক'ভিড-১৯ৰ সামাজিক সংক্ৰমণৰপৰা ৰক্ষা পোৱাৰ বাবে শিক্ষা-প্ৰতিষ্ঠানসমূহ বন্ধ ৰখাটো হৈছে অতি গুৰুত্বপূৰ্ণ পদক্ষেপ। কিন্তু একে সময়তে এনেধৰণৰ পদক্ষেপৰপৰা ছাত্ৰ-ছাত্ৰীসকলৰ হ'বলগীয়া ক্ষতি সম্পৰ্কেও সমানে চিন্তা কৰিবলগীয়া বিষয় হৈছে। অৱশ্যে এই লকডাউনৰ ফলত হোৱা শিক্ষা-প্ৰতিষ্ঠানৰ অনিৰ্দিষ্ট কাললৈ বন্ধই যাতে ছাত্ৰ-ছাত্ৰীসকলক অধিক ক্ষতিগ্ৰস্ত কৰিব নোৱাৰে তাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগতে অসম চৰকাৰেও বিশেষভাৱে পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ বিকল্প হিচাপে কৰা হ'ল অনলাইন শিক্ষণৰ প্ৰৱৰ্তন। ভাৰত চৰকাৰে ইতিমধ্যে 'ডিজিটেল ইণ্ডিয়া' কাৰ্যসূচী গ্ৰহণ কৰি ভাৰতবৰ্ষত ব্যৱসায়-বাণিজ্য আদিকে ধৰি শিক্ষাৰ ক্ষেত্ৰতো অনলাইন পদ্ধতি গ্ৰহণ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে।

সকলো স্তৰৰে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ক্ষতি হ্ৰাস কৰাৰ বাবে কেন্দ্ৰীয় মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰপৰাও অনলাইন শিক্ষা প্ৰদান কৰাৰ বাবে নিৰ্দেশ দিয়া হৈছিল। ইয়াৰ পাছতে বিশ্ববিদ্যালয়, মহাবিদ্যালয় আৰু বিদ্যালয় সকলো পৰ্যায়তে শিক্ষকসকল অনলাইন শিক্ষা প্ৰদান কৰাৰ বাবে ব্যস্ত হৈছে। ইমান দিনে অনলাইন শিক্ষাৰ ওচৰ নচপা নাইবা কোনো আওভাও নোপোৱা শিক্ষকেও অনলাইন শিক্ষা প্ৰদান কৰাটো এটা ইতিবাচক দিশ। দীৰ্ঘকালীন লকডাউনে যেন সকলো শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত অনলাইন শিক্ষণ ব্যৱস্থাৰ গুৰুত্ব বঢ়াই তুলিলে। বৰ্তমান শিক্ষকসকলে বিভিন্ন অনলাইন ব্যৱস্থাৰ যোগেদি, যেনে—গুগল ক্লাছৰুম, গুগল মিট, জুম ক্লাউডিং, ৱেবএক্স, স্কাইপ নাইবা আটাইতকৈ সহজ আৰু জনপ্ৰিয় হোৱাটছএপ আদিৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলৰ লগত শিক্ষাৰ আদান-প্ৰদান কৰাটোৱে যেন শিক্ষা পদ্ধতিৰ ক্ষেত্ৰত নতুন সচেতনতা আনি দিছে। অৱশ্যে বহুতো শিক্ষকে অনলাইন শিক্ষাৰ বিভিন্ন কৌশলৰ লগত একেবাৰে পৰিচিত নহয় নাইবা দক্ষতাৰ অভাৱ, গতিকে শিক্ষকসকলৰ বাবে অনলাইন পদ্ধতিত শিক্ষাদানৰ বাবে প্ৰশিক্ষণৰ খুবেই প্ৰয়োজন।

বৰ্তমান এই সংকটৰ কালত অনলাইন শিক্ষাদানে যিমান উপকৃত কৰিছে তাক স্বীকাৰ কৰিও এটা প্ৰশ্ন হৈছে যে এই অসমৰ নিচিনা এখন ৰাজ্যত অনলাইন শিক্ষাদান পদ্ধতিত প্ৰকৃততে কিমান ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব পাৰিছে। ইউনেস্ক'ৰে প্ৰকাশ কৰা তথ্য অনুসৰি সমগ্ৰ বিশ্বৰ প্ৰায় ৪৩ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে কোনোধৰণৰ ইণ্টাৰনেটৰ সুবিধা লাভ নকৰে। এনেক্ষেত্ৰত অনলাইন শিক্ষাদানৰদ্বাৰা বহুতো ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব নোৱৰাটো স্বাভাৱিক। অসমৰ নিচিনা ৰাজ্যত বহুত ছাত্ৰ-ছাত্ৰীৰ হাতত কম্পিউটাৰতো বাদেই আনকি এনড্ৰয়ড মোবাইল ফোনো নাই, এনে ক্ষেত্ৰত এইসকল ছাত্ৰ-ছাত্ৰী কেনেকৈ অনলাইন শিক্ষাৰদ্বাৰা লাভৱান হ'ব সেইটো এটা ডাঙৰ প্ৰশ্ন। অনলাইন শিক্ষণৰ সুবিধা লাভ কৰিব নোৱাৰি বহুতো দুখীয়া ছাত্ৰ-ছাত্ৰী হতাশাগ্ৰস্ততাত ভুগিবলগীয়া হৈছে।

এইক্ষেত্ৰত আটাইতকৈ সহজলভ্য টেলিভিছন চেনেল আৰু ৰেডিঅ' শিক্ষা দানৰ ক্ষেত্ৰত ব্যৱহাৰ কৰাটো অতি প্ৰয়োজন। অৱশ্যে ইতিমধ্যে দেশৰ বহুকেইটা টেলিভিছন চেনেলে শিক্ষাদানৰ কাৰ্যসূচী গ্ৰহণ কৰাটো প্ৰশংসনীয়। বিশ্ববিদ্যালয়ৰপৰাও অনলাইন ক্লাছ কৰি গম পাইছোঁ যে প্ৰায় ২০ৰপৰা ৩০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ নিজৰ অঞ্চলত ইণ্টাৰনেটৰ শোচনীয় অৱস্থাৰ বাবে এই সুবিধা গ্ৰহণ কৰিব পৰা নাই। চহৰ অঞ্চলত ৪২ শতাংশ লোকে ইণ্টাৰনেটৰ সুবিধা লাভ কৰাৰ বিপৰীতে গ্ৰাম্য অঞ্চলত মাত্ৰ ১৫ শতাংশ লোকেহে ইণ্টাৰনেটৰ সুবিধা লাভ কৰি আছে। আনহাতে এইক্ষেত্ৰত আঞ্চলিক বৈষম্যও প্ৰকট। কেৰালাত ২৩.৫ শতাংশ আৰু দিল্লীত ৩৫ শতাংশ লোকে নিজৰ ঘৰত ইণ্টাৰনেটৰ সুবিধা লাভ কৰাৰ বিপৰীতে বিহাৰৰ মাত্ৰ ৪.৬ শতাংশ লোকেহে নিজৰ ঘৰত ইণ্টাৰনেটৰ সুবিধা লাভ কৰি আছে। অৱশ্যে যোৱা দুটামান বছৰৰ ভিতৰতে ভাৰতবৰ্ষৰ নিচিনা দেশত স্মাৰ্টফোন আৰু ইণ্টাৰনেট ব্যৱহাৰকাৰীৰ সংখ্যা যে অভাৱনীয়ভাৱে বৃদ্ধি হৈছে সেইটোও কিছুমান প্ৰকাশিত তথ্যৰপৰা জনা গৈছে। Statista Research Developmentৰ যোৱা ২৬ মে' ২০২০ তাৰিখে প্ৰকাশ কৰা তথ্য অনুসৰি ভাৰতবৰ্ষত স্মাৰ্টফোন ব্যৱহাৰকাৰীৰ সংখ্যা ২০২০ চনত প্ৰায় ৪০১.৭৪ নিযুত হৈছে আৰু ইণ্টাৰনেট ব্যৱহাৰকাৰীৰ সংখ্যাও হৈছেগৈ প্ৰায় ৫৬৪ নিযুত। কিন্তু এইখিনি তথ্যৰ সত্যতা স্বীকাৰ কৰিও ক'ব লাগিব যে এতিয়াও অধিকাংশ ভাৰতীয় লোকে আৰু বিশেষকৈ গ্ৰাম্য অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে স্মাৰ্টফোন আৰু ইণ্টাৰনেটৰ সুবিধা লাভ নকৰাৰ ফলত অনলাইন শিক্ষণৰপৰা বঞ্চিত হৈ আছে। আকৌ বিশেষকৈ ভাৰতবৰ্ষৰ গ্ৰাম্য অঞ্চলত বিদ্যুতৰ সমস্যাৰ বাবেও বহুতে কম্পিউটাৰ থাকিলেও ব্যৱহাৰ কৰিবলৈ সক্ষম নহয়। বৰ্তমান চৰকাৰে ছাত্ৰ-ছাত্ৰীৰ বাবে বিভিন্ন সা-সুবিধা বিনামূলীয়াকৈ প্ৰদান কৰি আছে গতিকে ইয়াৰ ভিতৰত উচ্চশিক্ষাত ভৰ্তি হোৱা নিম্ন আয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে যদি স্মাৰ্টফোন বিনামূলীয়াকৈ দিব পাৰে, তেতিয়াহ'লে সমস্যাৰ বহুখিনি সমাধান হ'ব বুলি আশা কৰিব পাৰি। আকৌ আন এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন হ'ল যে অনলাইন শিক্ষণ প্ৰকৃততে কোন স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ বাবে উপযোগী? উচ্চশিক্ষাৰ ক্ষেত্ৰত যে অনলাইন শিক্ষণৰ যথেষ্ট গুৰুত্ব আছে সেইটো অস্বীকাৰ কৰিব নোৱাৰি, কিন্তু নিম্ন শ্ৰেণীৰ বিদ্যালয়ৰ শিশুৰ বাবে অনলাইন শিক্ষণ কিমান গ্ৰহণযোগ্য হ'ব, সেইটোত সম্পূৰ্ণ সন্দেহ আছে।

শিক্ষাৰ ক্ষেত্ৰত অনলাইন শিক্ষাদান ভাৰতবৰ্ষৰ বাবেও নতুন নহয়, কিন্তু আমাৰ বহুতৰ বাবে হৈ পৰিছে নতুন ব্যৱস্থা। আনহাতে এইখিনিতে আন এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপিত হয় যে অনলাইন শিক্ষা গতানুগতিক শিক্ষাৰ সম্পূৰ্ণ বিকল্প হ'ব পাৰিবনে? কিন্তু আমাৰ ধাৰণা অনলাইন শিক্ষা কেতিয়াও গতানুগতিক শিক্ষাৰ সম্পূৰ্ণ বিকল্প হ'ব নোৱাৰে বা হোৱাটো উচিত নহয়, কিন্তু গতানুগতিক শিক্ষাক অধিক কাৰ্যক্ষম কৰি তুলিবলৈ হ'লে অনলাইন শিক্ষাৰ সহায়